NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date : 10-**10-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, ভাৰতৰ এক ইষ্ট নীতিয়ে আছিয়ান ৰাষ্ট্ৰসমূহৰ সৈতে থকা সম্পৰ্কক নতুন গতি আৰু দিশ প্ৰদান কৰিছে।

২। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে আজি নতুন দিল্লীত টেলি-মানস এপ আৰু ভিডিঅ' কলৰ সুবিধা মুকলি কৰে।

৩। প্ৰসিদ্ধ উদ্যোগপতি ৰতন টাটাৰ শেষকৃত্য আজি মুম্বাইৰ ৱৰ্লিত সম্পন্ন কৰা হয়।

৪। দক্ষিণ কোৰিয়াৰ লেখিকা হান কাঙলৈ ২০২৪ বৰ্ষৰ সাহিত্যৰ ন'বেল বঁটা আগবঢ়োৱা হৈছে।

*আৰু*

৫। ২২টাকৈ গ্ৰেণ্ডশ্লেম ছিংগলছ খিতাপ দখল কৰা স্পেইনৰ আগশাৰীৰ টেনিছ খেলুৱৈ ৰাফেল নাডালে পেছাদাৰী টেনিছৰ পৰা অৱসৰ লোৱাৰ কথা ঘোষণা কৰিছে।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, ভাৰতৰ এক ইষ্ট নীতিয়ে আছিয়ান ৰাষ্ট্ৰসমূহৰ সৈতে থকা সম্পৰ্কক নতুন গতি আৰু দিশ প্ৰদান কৰিছে। তেওঁ লগতে একবিংশ শতিকা ভাৰত আৰু আছিয়ান ৰাষ্ট্ৰসমূহৰ বুলি প্ৰকাশ কৰিছে। লাওৰ ৰাজধানী ৱিয়েন্‌টিয়ানত অনুষ্ঠিত ভাৰত আছিয়ান শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে ভাৰত আৰু আছিয়ান দেশসমূহ শান্তিপ্ৰিয় ৰাষ্ট্ৰ আৰু তেওঁলোকে পৰস্পৰৰ ৰাষ্ট্ৰীয় অখণ্ডতা আৰু সাৰ্বভৌমত্বক সন্মান কৰে। শ্ৰী মোদীয়ে কয় যে, বিশ্বৰ বিভিন্ন অংশ সংঘৰ্ষ আৰু উত্তেজনাৰ সন্মুখীন হোৱাৰ সময়ত ভাৰত আৰু আছিয়ান ৰাষ্ট্ৰসমূহৰ মাজৰ মিত্ৰতা-সহযোগিতা, আলাপ-আলোচনা আৰু অংশীদাৰিত্ব গুৰুত্বপূৰ্ণৰূপে বিবেচিত হৈছে।

*(বাইট)*

ভাৰত আৰু আছিয়ান দেশসমূহৰ মাজৰ সম্পৰ্কৰ গুৰুত্বৰ বিষয়ে আলোকপাত কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে, বিগত ১০ বছৰত আছিয়ান অঞ্চলৰ সৈতে ভাৰতৰ বাণিজ্য প্ৰায় দুগুণলৈ বৃদ্ধি পাই ১৩ হাজাৰ কোটি ডলাৰৰো অধিক হৈছে। তেওঁ কয় যে, সাতখন আছিয়ান দেশৰ সৈতে ভাৰতৰ বিমান যোগাযোগ আছে আৰু ব্ৰুনেইৰ সৈতে শীঘ্ৰেই বিমান সেৱা আৰম্ভ হ'ব। প্ৰধানমন্ত্ৰীয়ে কয় যে, ভাৰতে তিমোৰ-লেষ্টেত নতুন বাণিজ্যিক দূতাবাস মুকলি কৰিছে। ছিংগাপুৰ ভাৰতে বিত্ত প্ৰযুক্তি সংযোগ স্থাপন কৰা আছিয়ান অঞ্চলৰ প্ৰথমখন ৰাষ্ট্ৰ বুলি শ্ৰী মোদীয়ে উল্লেখ কৰে।

ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰী মোদী আজি দুপৰীয়া ৱিয়েন্‌টিয়ানত উপস্থিত হোৱাৰ সময়ত লাওৰ গৃহমন্ত্ৰী ৱিলায়ৱোঙ বৌদ্ধাখমে তেওঁক আদৰণি জনায়। হোটেলত উপস্থিত হোৱাৰ সময়ত দেশখনত বাস কৰা প্ৰবাসী

ভাৰতীয়সকলে শ্ৰী মোদীক বিপুলভাবে আদৰণি জনায়। ইয়াৰ পাছত শ্ৰী মোদীয়ে লুৰাং প্ৰবাঙৰ প্ৰতিষ্ঠিত ৰয়েল থিয়েটাৰে পৰিৱেশন কৰা লাও ৰামায়ণ উপভোগ কৰে। লাও ৰামায়ণক ফলক ফলম বা ফ্ৰা-লাক-ফ্ৰা ৰাম বুলিও কোৱা হয়। প্ৰধানমন্ত্ৰীয়ে লগতে লাওৰ কেন্দ্ৰীয় বৌদ্ধ জলপানি সংগঠনৰ বৌদ্ধ ভিক্ষুখসকলৰ আশীৰ্বাদ সমাৰোহতো অংশগ্ৰহণ কৰে। লাও ভ্ৰমণৰ আজি প্ৰথম দিনা শ্ৰী মোদীয়ে আছিয়ান সদস্য ৰাষ্ট্ৰ আৰু সন্মিলনত অংশগ্ৰহণ কৰা দেশসমূহৰ সৈতে দ্বিপাক্ষীক আলোচনাতো মিলিত হয়। তেওঁ এই ভ্ৰমণকালত ৱিয়েন্‌টিয়ানত আয়োজিত উনবিংশ পূব এছিয়া শীৰ্ষ সন্মিলনত ভাগ লোৱাৰ কথা আছে।

০০০০০০০

বিশ্ব মানসিক স্বাস্থ্য দিৱসৰ সৈতে সংগতি ৰাখি স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰ্যালয়ে আজি নতুন দিল্লীত টেলি-মানস এপ আৰু ভিডিঅ' কলৰ সুবিধা মুকলি কৰে। একেটা অনুষ্ঠানতে বিশ্ব স্বাস্থ্য সংস্থাৰ টেলি-মানস মূল্যায়ন প্ৰতিবেদন আৰু কৰ্মচাৰীসকলৰ বাবে আত্মযতন মডিউলো মুকলি কৰা হয়। মানসিক স্বাস্থ্য আৰু কৰ্মস্থলীৰ মাজৰ গুৰুত্বপূৰ্ণ সংযোগ সন্দৰ্ভত আলোকপাত কৰি এইবাৰ এই দিৱসৰ বিষয়বস্তু হৈছে- **কৰ্মস্থলীত মানসিক স্বাস্থ্য**। মন্ত্ৰ্যালয়ে লগতে টেলি-মানস হেল্পলাইনৰ দ্বিতীয় বৰ্ষপূৰ্তিও উদযাপন কৰে। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰ্যালয়ৰ অতিৰিক্ত সচিব আৰাধনা পাটনায়কে কৰ্মস্থলীত মানসিক হেঁচাৰ সমস্যাৰ সমাধানৰ প্ৰয়োজন সন্দৰ্ভত আলোকপাত কৰে। তেওঁ কয় যে, কৰ্মজীৱনৰ ভাৰসাম্যতাই কৰ্মস্থলীত মানসিক চাপ দূৰ কৰাৰ ক্ষেত্ৰত বিশেষ প্ৰভাব পেলাব পাৰে। মানসিক চাপত থকা লোকসকলৰ বাবে প্ৰতিকাৰমূলক পাঠ্যক্ৰম, সুকৰ্মসংস্কৃতি আৰু পৰিয়ালৰ সহায়-সহযোগিতা অত্যন্ত প্ৰয়োজন বুলি তেওঁ উল্লেখ কৰে। টেলি-মানস এপ সন্দৰ্ভত অতিৰিক্ত সচিবগৰাকীয়ে কয় যে, এয়া হৈছে চৰকাৰৰ এটা অন্যতম বৈপ্লবিক উদ্যম, যি দ্ৰুত হাৰত সম্প্ৰসাৰণ হৈ আছে। অনুষ্ঠানত বিশ্ব স্বাস্থ্য সংস্থাৰ ভাৰতত থকা প্ৰতিনিধি ড০ ৰোডেৰিকো এইছ্‌ অফৰিনে কয় যে, বিশ্ব জনসংখ্যাৰ আনুমানিক ৬০ শতাংশই মানসিক হেঁচাৰ সমস্যাৰ সন্মুখীন হৈছে। মানসিক স্বাস্থ্যৰ প্ৰত্যাহ্বানসমূহ বৃদ্ধি পাই থকা বিষয়টো লৈ তেওঁ উদ্বেগ প্ৰকাশ কৰে।

০০০০০০০

ভাৰতৰ বস্ত্ৰ খণ্ড ২০৩০ চনৰ ভিতৰত প্ৰায় ৩৫ হেজাৰ কোটি ডলাৰ বৃদ্ধি হ'ব বুলি আশা কৰা হৈছে। আগষ্টত প্ৰকাশ পোৱা দেশৰ বাণিজ্য তথ্য অনুসৰি ৰেডিমেড পোছাকৰ ক্ষেত্ৰত খণ্ডটোত বিগত বৰ্ষৰ তুলনাত ১১ শতাংশ বৃদ্ধি পৰিলক্ষিত হৈছে। বস্ত্ৰ মন্ত্ৰ্যালয়ে এখন বিজ্ঞপ্তিত এই বুলি কৈছে যে, ভাৰত চৰকাৰে বহুতো আঁচনি আৰু নীতিৰ জৰিয়তে এই লক্ষ্যত উপনীত হোৱাৰ পৰিকল্পনা কৰিছে। বিজ্ঞপ্তিখনত এই বুলিও কোৱা হৈছে যে, অহা ৩ৰ পৰা ৫ বছৰৰ ভিতৰত পি এম মিত্ৰ পাৰ্ক আৰু পি এল আই আঁচনিৰ জৰিয়তে এই খণ্ডটোত ৯০ হাজাৰ কোটিৰো অধিক টকা বিনিয়োগ হ'ব বুলি আশা কৰা হৈছে।

০০০০০০০

প্ৰসিদ্ধ উদ্যোগপতি ৰতন টাটাৰ শেষকৃত্য আজি মুম্বাইৰ ৱৰ্লিত সম্পন্ন কৰা হয়। ইয়াৰ পূৰ্বে মুম্বাইৰ পৰিৱেশ্য কলাৰ ৰাষ্ট্ৰীয় কেন্দ্ৰ এন চি পি এ-ত অগণন লোকে প্ৰসিদ্ধ উদ্যোগপতিগৰাকীলৈ শেষ শ্ৰদ্ধা নিবেদন কৰে। কালি মুম্বাইৰ এখন এখন ব্যক্তিগত হাস্পতালত ৮৬ বছৰ বয়সত ৰতন টাটাই শেষ নিশ্বাস ত্যাগ কৰে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰতন টাটাৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে। গৃহমন্ত্ৰী অমিত শ্বাহে কেন্দ্ৰীয় চৰকাৰৰ হৈ ৰতন টাটাৰ অন্ত্যেষ্টিক্ৰিয়াত অংশগ্ৰহণ কৰে।

২০১২ চনৰ ২৯ ডিচেম্বৰত ৰতন টাটাক টাটা ছন্স, টাটা ইণ্ডাষ্ট্ৰিজ, টাটা মটৰছ, টাটা ষ্টিল আৰু টাটা কেমিকেলছৰ আজীৱন অধ্যক্ষৰ উপাধিৰে সন্মানিত কৰা হৈছিল। ভাৰতৰ সবাতোকৈ প্ৰসিদ্ধ উদ্যোগপতিসকলৰ অন্যতম ৰতন টাটাই ২ দশকৰো অধিক সময় ধৰি টাটা ছন্সৰ অধ্যক্ষ হিচাপে কাম কৰিছিল। তেওঁ টাটা ন্যাসৰ জৰিয়তে লোকহিতৈষী অনেক কামত ভাগ লৈছিল। তেওঁক ২০০০ চনত পদ্মভূষণ আৰু ২০০৮ চনত পদ্মবিভূষণ সন্মানেৰে বিভূষিত কৰা হৈছিল।

০০০০০০০

দক্ষিণ কোৰিয়াৰ লেখিকা হান কাঙলৈ ২০২৪ বৰ্ষৰ সাহিত্যৰ ন'বেল বঁটা আগবঢ়োৱা হৈছে। লেখিকাগৰাকীক কাব্যাত্মক গদ্যৰ বাবে এই সন্মানেৰে বিভূষিত কৰা হৈছে। তেওঁ লিখা কেইখনমান প্ৰসিদ্ধ গ্ৰন্থৰ ভিতৰত **দি ভেজিটেৰিয়ান, দ্যা হোৱাইট বুক, হিউমেন এক্টছ** আৰু **গ্ৰীক লেচনছ** অন্যতম। হান কাঙে ১৯৭০ চনত দক্ষিণ কোৰিয়াৰ গোৱাং জু চহৰত জন্মলাভ কৰিছিল যদিও ৯ বছৰ বয়সত তেওঁ পৰিয়ালৰ সৈতে ছিউললৈ গৈছিল।

০০০০০০০

ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই ২০২৫ চনৰ পৰা ২০২৭ চনৰ কাৰ্যকালৰ বাবে ৪৭ খনীয়া মানৱাধিকাৰ পৰিষদৰ ১৮ খন সদস্য ৰাষ্ট্ৰ নিৰ্বাচন কৰিছে। এই ১৮ খন ৰাষ্ট্ৰৰ ভিতৰত আছে- বেনিন, বলিভিয়া, কলম্বিয়া, ছাইপ্ৰাছ, কাটাৰ আৰু থাইলেণ্ড আদি। গোপন বেলটৰ জৰিয়তে এই সদস্য ৰাষ্ট্ৰকেইখন নিৰ্বাচিত কৰা হয়। অহা বছৰ পহিলা জানুৱাৰীৰ পৰা সদস্য ৰাষ্ট্ৰকেইখনৰ তিনি বছৰীয়া কাৰ্যকাল আৰম্ভ হ'ব। উল্লেখযোগ্য যে ৪৭ খনীয়া সদস্য ৰাষ্ট্ৰসমূহৰ প্ৰায় এক তৃতীয়াংশ প্ৰতিবছৰে সলনি কৰা হয়।

০০০০০০০

কেন্দ্ৰীয় চৰকাৰে আজি কৰ হস্তান্তৰৰ অংশ হিচাপে এক লাখ ৭৮ হাজাৰ কোটিৰো অধিক টকাৰ ধনৰাশি মোকলাই দিয়ে। বিত্ত মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে আসন্ন উৎসৱৰ বতৰলৈ চাই ৰাজ্যসমূহৰ মূলধনী ব্যয় আৰু বিকাশমূলক কামকাজ আগবঢ়াই নিয়াৰ উদ্দেশ্যে এই অগ্ৰিম কিস্তি মুকলি কৰি দিয়া হৈছে। ইয়াৰ অধীনত উত্তৰ প্ৰদেশলৈ সৰ্বাধিক ৩১ হাজাৰ ৯৬৫ কোটি টকা মোকলাই দিয়া হৈছে। এই ক্ষেত্ৰত বিহাৰ আৰু মধ্যপ্ৰদেশ দ্বিতীয় আৰু তৃতীয় স্থানত আছে।

০০০০০০০

২২টাকৈ গ্ৰেণ্ডশ্লেম ছিংগলছ খিতাপ দখল কৰা স্পেইনৰ আগশাৰীৰ টেনিছ খেলুৱৈ ৰাফেল নাডালে পেছাদাৰী টেনিছৰ পৰা অৱসৰ লোৱাৰ কথা ঘোষণা কৰিছে। তেওঁ সামাজিক মাধ্যমৰ এটা ভিডিঅ' যোগে অৱসৰৰ কথা প্ৰকাশ কৰিছে। তেওঁ লগতে খেলুৱৈ জীৱনৰ বিভিন্ন স্তৰত আগবঢ়োৱা সমৰ্থনৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰিছে। নাডালে নৱেম্বৰত মালাগাত হ'বলগীয়া ডেভিছ কাপ ফাইনেলছেৰে খেলুৱৈ জীৱনৰ সামৰণি মাৰিব।

নাডালে খেলুৱৈ জীৱনত ৩৬টা মাষ্টাৰ্ছ খিতাপ আৰু এটা অলিম্পিক স্বৰ্ণপদক সহ মুঠ ৯২ টা এ টি পি ছিংগলছৰ খিতাপ অৰ্জন কৰিছে।

০০০০০০০

ভাৰতীয় পুৰুষ দল আজি কাজাখস্তানৰ আষ্টানাত অনুষ্ঠিত এছিয়ান টেবুল টেনিছ প্ৰতিযোগিতাৰ ছেমিফাইনেলত চীনা টাইপেইৰ হাতত ০-৩ ফলাফলত পৰাজিত হৈ ব্ৰঞ্জৰ পদকতে সন্তুষ্ট থাকিবলগীয়া হয়। ভাৰতৰ শৰৎ কমলে ছিংগলছৰ প্ৰথমখন খেলত লীন য়ুন যুৰ হাতত পৰাভূত হোৱাৰ বিপৰীতে দ্বিতীয়খন ছিংগলছত মানৱ থাক্কৰ কাও চেং জুইৰ হাতত পৰাস্ত হয়। ভাৰতীয় পুৰুষ দলে ২০২১ আৰু ২০২৩ বৰ্ষতো এই প্ৰতিযোগিতাত ব্ৰঞ্জৰ পদক লাভ কৰিছিল।

০০০০০০০

সমাপ্ত